**নিয়ন্ত্ৰণ ব্যৱস্থা ঃ**



১। বাওতলি প্ৰস্তুত কৰাৰ সময়ত আগৰ বছৰৰ ধানৰ নৰা বা মুঢ়াবোৰ জ্বলাই পেলাব লাগে। ইয়াৰ বাবে মাটি এবাৰ দুবাৰ মান চহ কৰাৰ পিছত মুঢ়াৰ লগতে অন্যান্য জাবৰবোৰ গোটাই ভালদৰে জ্বলাই পেলাব লাগে। বাওতলি আগতীয়াকৈ প্ৰস্তুত কৰিব পাৰিলে ভাল। বেছি আক্ৰান্ত হোৱা ঠাইত ধান কটাৰ পিছতে এবাৰ দুবাৰ মান চহাই ৰাখিব লাগে।

২। যদি সম্ভৱ হয় তেন্তে সৰিয়হ, মৰাপাট, বৰোধান বা আহুধানৰ সৈতে শস্যাবৰ্তন কৰিলে 'উফৰা'ৰ পৰিমান কমি যায়।

৩। যিমান পাৰি দেৰিকৈ অৰ্থাৎ এপ্ৰিল মাহলৈকে বাওধান সিচিলে উফৰা ৰোগৰ পাৰ্দুভাগ কমাব পাৰি। সময়মতে বনবাত নিৰাই বাওতলি পৰিস্কাৰকৈ ৰাখিব লাগে।

৪। কমদিনীয়া বাওধানৰ জাত যেনে - "পদ্মপানী' ব্যৱহাৰ কৰিব লাগে।

৫। উফৰা প্ৰতিৰোধী জাত যেনে- জলমগ্ন, বাসুদেৱ, লক্ষী, ৰায়দা ১৬-০১১, ৰায়দা ১৬-০১৩, ৰায়দা ১৬-০৫, ৰায়দা ১৬-০৬ আদিৰ খেতি কৰিলে উফৰাৰ পৰা হাত সাৰিব পাৰি।

৬। মাটিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি সুষম সাৰ ব্যৱহাৰ কৰিলে উফৰা ৰোগৰ পৰিমান কমে। অনুসাৰ বিশেষকৈ জিংকৰ অভাৱ হ'লে এই ৰোগৰ পৰিমান বাঢ়ে। পটাছ সাৰ প্ৰয়োগ কৰিলে গছৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বৃদ্ধি পায়।

৭। নিমযুক্ত কীটনাশক প্ৰথম অৱস্থাত স্প্ৰে কৰিলে 'উফৰা'ৰ পৰিমাণ কমে।

৮। মাটি প্ৰস্তুত কৰাৰ সময়ত কাৰব'ফুৰান ৩ জি (Carbofuran 3G.) যুক্ত ৰাসায়নিক দানাকৃতিৰ কীটনাশক বিঘাই প্ৰতি ৪ কে.জি. ছটিয়ালে উফৰা ৰোগৰ পৰিমাণ যথেষ্ট কম হয়।

ওপৰত আলোচিত ব্যৱস্থা সমূহ সঠিক ভাৱে গ্ৰহণ কৰিলে উফৰা ৰোগ যথেষ্ট কম হয় আৰু লোকাচনৰ পৰিমাণ হ্ৰাস কৰিব পৰা যায়। দ কৈ মাটি চহাই মাটি প্ৰস্তুত কৰা, ধানৰ মুঢ়া (আগৰ বছৰৰ), নৰা, বনবাত আদি জ্বলাই পেলোৱা, দেৰিকৈ বীজ সিঁচা, কম দিনীয়া জাত ব্যৱহাৰ কৰা, শেষৰ বাৰ মাটি প্ৰস্তুত্তিৰ সময়ত কাৰব'ফুৰাণ কীটনাশক ছটিওৱা, সুষম সাৰ ব্যৱহাৰ আৰু নিমযুক্ত কীটনাশক স্প্ৰে কৰিলে বাওধানৰ উফৰা ৰোগ নিয়ন্ত্ৰণ কৰিব পৰা যায়।

প্ৰচাৰ পত্ৰিকা নং ঃ LF/AAU/NT/01/2014/005

# বাওধানৰ 'উফৰা' (Ufra) ৰোগ আৰু ইয়াৰ নিয়ন্ত্ৰণ ব্যৱস্থা



**শ্ৰী গুঞ্জন গগৈ**
**শ্ৰী স্বপন কুমাৰ শৰ্মা**

**কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি**
**অসম কৃষি বিশ্ববিদ্যালয়**
**চিলাপথাৰ**

(জনজাতীয় উপ-আঁচনিৰ অধীনত কেন্দ্ৰীয় শুষ্ক ভূমি কৃষি গৱেষণা প্ৰতিষ্ঠান, ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ আৰ্থিক অনুদানত মুদ্ৰিত)

“ৰঙা চাউল” হিচাৰে থলুৱা বাওধান সমূহ শেহতীয়াকৈ আন্তৰাষ্ট্ৰীয় বজাৰত স্থান লাভ কৰাটো এক শুভ লক্ষণ। চাহিদা বৃদ্ধি হোৱাৰ বাবে বাওধানৰ কৃষক সকল উৎসাহিত হৈছে। অন্যান্য শস্যৰ খেতিৰ দৰে বাওধান খেতিৰো বিভিন্ন সমস্যা আছে আৰু এই সমস্যা সমূহৰ ভিতৰত ‘উফৰা’’ (Ufra) ৰোগ এটা প্ৰধান সমস্যা। Ditylenchus angustus নামৰ শস্যকৃমিয়ে আক্ৰমণ কৰা বাবে এই ৰোগ হয়। আনহাতে, যিহেতু বাৰিষা পানী জমা হোৱা দ ঠাইত য’ত আহুধান বা শালিধানৰ খেতি কৰিব পৰা নাযায়, বাওধানৰ খেতি কৰা বাবে পথাৰত ৰোগৰ লক্ষ্যণ প্ৰত্যক্ষ কৰিলেও সচৰাচৰ কীট নিয়ন্ত্ৰণ ব্যৱস্থা সমূহ গ্ৰহণ কৰিব নোৱাৰি। সেয়েহে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে কৃষক সকলে প্ৰথমৰ পৰাই ল’বলগীয়া ব্যৱস্থা সমূহ আলোচনা কৰা হৈছে।



**উফৰা ৰোগৰ লক্ষণ সমূহ ঃ-**



(১) পুলি অৱস্থাতে আক্ৰান্ত হ’লে কুমলীয়া পাতবোৰত ইষৎ বগা দীঘলীয়া বা ফুটফুটীয়া দাগ পৰে, পাতৰ গুৰি অংশ শোটোৰা পৰে বা কোঁচ খায়। ক্ৰমান্বয়ে বগা দাগ সমূহ মূগা বৰণৰ হয়। অৱশ্যে পুলি অৱস্থাৰ লক্ষণ সহজে চিনিব পৰা নাযায়।

(২) বেছিকৈ আক্ৰান্ত হ’লে ধানৰ কুমলীয়া পাতবোৰৰ কাষ বোৰ কোঁচ খায় আৰু আগ অংশ ৰচী আকৃতিৰ হয়। কেতিয়াবা ধান গছৰ মাজৰ পাতটো কেকোৰা-কেকুৰি কৈ ওলায়।

(৩) পৰবৰ্ত্তী সময়ত আক্ৰান্ত হ’লে গছৰ গাঠিৰ পৰা কেইবাটাও পোখা ওলায়, জোপোহা গছৰ দৰে হোৱা দেখা যায়।

(৪) উফৰা ৰোগৰ নিশ্চিত লক্ষণ দেখা যায় ধানৰ ফুল ফুলাৰ সময়ত। আগতীয়াকৈ আক্ৰান্ত হ’লে, ধানৰ ঠোকটো একেবাৰে ওলাব নোৱাৰি আগ অংশ শকত আকৃত্তিৰ হয়। ইয়াৰ বিপৰীতে কেতিয়াবা আধা অংশ বা সম্পূৰ্ণ কৈ ওলায় যদিও ধানবোৰ পতান হয়।

**ৰোগৰ উৎস ঃ-**

“উফৰা” ৰোগ সৃষ্টিকাৰী শস্যকৃমিৰ মূল উৎস হৈছে আগৰ বছৰৰ আক্ৰান্ত গছৰ নৰা বা মূঢ়া, অপৰ্তৃণ ঘাঁহ, ধান গছ ইত্যাদি। আনহাতে আক্ৰান্ত পথাৰৰ পৰা সংগ্ৰহ কৰা ধান বীজ হিচাবে ব্যৱহাৰ কৰিলে এই ধানৰ লগতে পিছৰ বছৰলৈ এই ৰোগ আহিব পাৰে। পৰৱৰ্ত্তী পৰ্য্যায়ত অনুকুল পৰিবেশ আৰু নতুনকৈ গজি উঠা ধান গছ পালে ই সক্ৰিয় হৈ ৰস শুহি খাদ্য গ্ৰহণ কৰি বংশবৃদ্ধি কৰে। মন কৰিবলগীয়া যে, এই কৃমিৰ আক্ৰমনৰ ফলত গছজোপা সম্পূৰ্ণ মৰি নাযায় আৰু ফুল ফুলি ৰুগীয়া ধান হ’লেও উৎপাদন কৰে।

আনহাতে, গছে-গছে বা পাতে-পাতে স্পৰ্শ হৈ , বৰষুণৰ পানী, বানপানী, ডাৱৰ আদিৰ জৰিয়তে এজোপা গছৰ পৰা আন এজোপালৈ বা এখন আক্ৰান্ত পথাৰৰ পৰা আন এখন পথাৰলৈ এই ৰোগ বিয়পে।

**অনুকুল পৰিৱেশ ঃ-**



পৰিবেশৰ আৰ্দ্ৰতা বাঢ়িলে (৮৫ % বা তাতোধিক), তাপমান ২৮-৩০° ছে হ’লে আৰু বৰষুণ হ’লে এই কৃমি অধিক সক্ৰিয় হয়। ইয়াৰ বিপৰীতে খৰাং বতৰ আৰু তাপমান ৩৫° ছে বা তাতোধিক হ’লে এই কৃমি নিষ্ক্ৰিয় হয়। সেয়েহে মাৰ্চ মাহৰ শেষৰ পৰা পিছত সিঁচা বাওধানত “উফৰা”ৰ সমস্যা কম হয়।

উৰ্ব্বৰতা কম থকা মাটিত উফৰা ৰোগ বেছিকৈ হয়। মাটিৰ পটাছ মৌলৰ পৰিমান কম থাকিলে উফৰাৰ আক্ৰমন বাঢ়ে।

**উৎপাদন হ্ৰাসৰ পৰিমাণ ঃ-**

“উফৰা”ৰ আক্ৰমণৰ ফলত ধানৰ উৎপাদনৰ পৰিমাণ বা গুনগত মান হ্ৰাস পায়। অৱশ্যে স্থান, আক্ৰমনৰ সময়, ধানৰ জাত আদিৰ ওপৰত নিৰ্ভৰ কৰি এই হ্ৰাসৰ পৰিমাণ বেলেগ বেলেগ হয়। আক্ৰান্ত হোৱা গছজোপাৰ ক্ষেত্ৰত এই লোকচানৰ পৰিমান ১০০ শতাংশ। আমাৰ অসমত ‘উফৰা’ ৰোগৰ ফলত হোৱা লোকচানৰ গড় পৰিমাণ শতকৰা ১০-১৫ শতাংশ।